# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2022
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
## HEADLINES

১। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত বিজয়া দশমী মহোৎসৱত অংশগ্ৰহণ কৰি ৰাজ্যবাসীক অপ-শক্তিৰ বিৰুদ্ধে যুঁজ দিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

২। পাকিস্তানৰ সৈতে কোনো ধৰণৰ আলোচনাৰ সম্ভাৱনা নাই বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰকাশ।

৩। গুজৰাটত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত এই পৰ্যন্ত ১৮টা পদক অৰ্জনেৰে অসমৰ জয় যাত্ৰা অব্যাহত।

*আৰু*

৪। লক্ষ্ণৌত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

০০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক অপশক্তিৰ বিৰুদ্ধে যুঁজ দিবলৈ আৰু দায়বদ্ধতাৰে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনাইছে। কালি গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অসম বিজয়া দশমী মহোৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যবাসীক দশমীৰ শুভেচ্ছা জনোৱাৰ লগতে এই আহ্বান জনায়। ৰাৱণক বধ কৰি ৰামে সমাজৰ পৰা অসূয়া আঁতৰ কৰি ধৰ্মৰ প্ৰতিষ্ঠা কৰাৰ দৰে দেৱী ভগৱতীক অসমত শান্তি-প্ৰগতিৰ লগতে সমৃদ্ধিৰ বাবে আশীৰ্বাদ দিবলৈকো তেওঁ প্ৰাৰ্থনা জনায়।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি গুৱাহাটীৰ পাণ্ডু ঘাটত উপস্থিত হৈ দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন প্ৰক্ৰিয়াও দৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসমক শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাটেৰে আগুৱাই লৈ যাবলৈ দেৱীৰ ওচৰত প্ৰাৰ্থনা জনায়।

ইপিনে, ৰাজ্যৰ জিলাই জিলাই শৃংখলা বজাই ৰাখি আৰু ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে কালি বিজয়া দশমী তথা দশেৰা উদযাপন কৰাৰ লগতে দেৱী দুৰ্গাৰ কেইবাহাজাৰ প্ৰতিমা বিসৰ্জন দিয়া হয়। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি অৱশিষ্ট প্ৰতিমাসমূহ বিসৰ্জন দিয়া হ'ব।

কামৰূপ জিলাৰ বিভিন্ন স্থানত বিজয়া দশমী আৰু দশেৰা উপলক্ষে যোৱা নিশা ৰাৱণৰ বিশাল প্ৰতিমূৰ্তি দাহ কৰা হয়। কামৰূপ জিলাৰ কমলপুৰ, চাংসাৰি, উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ড আৰু মিৰ্জাৰ সৰপাৰাত হাজাৰ হাজাৰ ভক্তৰ উপস্থিতি ৰাৱণৰ প্ৰতিমূৰ্তি দাহ কৰা হয়। বজালী জিলাৰ সদৰ পাঠশালাতো কালি দশেৰা উৎসৱ পালন কৰা হয়। বিজয়া দশমী উপলক্ষে কালি পাঠশালা টাউনৰ কাষেৰে বৈ যোৱা পহুমৰা নৈত নাওখেল অনুষ্ঠিত হয়। পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৭০ ফুট উচ্চতাৰ ৰাৱণৰ প্ৰতিমূৰ্তি দাহন কৰা হয়।

০০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পাকিস্তানৰ সৈতে কোনোধৰণৰ আলোচনাৰ সম্ভাৱনা নাই বুলি প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰৰ পৰা যিকোনো প্ৰকাৰে সন্ত্ৰাসবাদক উৎখাট কৰাত গুৰুত্ব আৰোপ কৰি শ্ৰীশ্বাহে কয় যে মোদী চৰকাৰে অকল জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ সৈতেহে আলোচনা কৰিব। উত্তৰ কাশ্মীৰৰ বাৰামুল্লা চহৰৰ এখন বিশাল জনসভাত ভাষণ দি কালি গৃহ মন্ত্ৰীগৰাকীয়ে কয় যে, কংগ্ৰেছ, নেচনেল কনফাৰেন্স আৰু পিপলছ ডেম'ক্ৰেটিক পাৰ্টী - পি ডি পিয়ে যোৱা ৭৫ বছৰত জম্মু-কাশ্মীৰক ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। শ্ৰীশ্বাহে কয় যে, ভূতপূৰ্ব মুখ্যমন্ত্ৰীদ্বয় নেচনেল চনফাৰেন্সৰ ডাঃ ফাৰুক আব্দুল্লা আৰু পি ডি পি নেতা মেহবুবা মুফ্‌টি এই অঞ্চলৰ লোকসকলৰ দুঃখজনক অৱস্থাৰ বাবে জগৰীয়া। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, যোৱা ৭৫ বছৰত কংগ্ৰেছ, নেচনেল কনফাৰেন্স আৰু পি ডি পিয়ে জম্মু-কাশ্মীৰত মাত্ৰ ১৫ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিছিল, কিন্তু মোদী চৰকাৰে যোৱা কেইটামান বছৰতে ৫৬ হাজাৰ কোটি টকা বিনিয়োগ কৰিবলৈ সক্ষম হৈছে। শ্ৰীশ্বাহে লগতে কয় যে, মোদী চৰকাৰৰ ঔদ্যোগিক পেকেজে যুৱক-যুৱতীসকলৰ হাতত বন্দুকৰ পৰিৱৰ্তে লেপটপ আৰু মোবাইল ফোন তুলি দিছে।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হিমাচল প্ৰদেশৰ বিলাসপুৰত ৩ হাজাৰ ৬৫০ কোটিৰো অধিক টকাৰ ভালেমান প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। বিলাসপুৰত উপস্থিত হোৱাৰ পাছতেই প্ৰধানমন্ত্ৰীয়ে কোহটীপুৰাত এহেজাৰ ৪৭০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান দেশৰ নামত উৎসৰ্গা কৰে। ২৪৭ একৰৰো অধিক ভূমিত নিৰ্মাণ কৰা এই প্ৰতিষ্ঠানটো সকলো ধৰণৰ অত্যাধুনিক চিকিৎসা সুবিধাৰে সুসজ্জিত। প্ৰধানমন্ত্ৰীয়ে লগতে বিলাসপুৰৰ বান্দ্‌লাত চৰকাৰী জল অভিযান্ত্ৰিক মহাবিদ্যালয় মুকলি কৰে। তদুপৰি শ্ৰীমোদীয়ে নালাগড়ত ৩৫০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰিবলগীয়া চিকিৎসা সঁজুলি উদ্যান আৰু ভাৰতমালা প্ৰকল্পৰ অধীনত পিঞ্জোৰৰ পৰা নালাগড় পৰ্যন্ত  নিৰ্মাণ কৰিবলগীয়া চাৰিটা লেনযুক্ত পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

পাছত বিলাসপুৰত ঐতিহাসিক লুহনু ময়দানত এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিলাসপুৰৰ স্থানীয় ভাষাত  জনসাধাৰণক অভিনন্দন জনায়। তেওঁ কয় যে, বিলাসপুৰত নিৰ্মাণ কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানখন সেউজ এইমছ বুলি জনা যাব, কাৰণ এই প্ৰতিষ্ঠানখন পৰিৱেশ অনুকূলভাৱে নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে কয় যে, এই প্ৰতিষ্ঠানখনে ৰাজ্যখনৰ জনসাধাৰণৰ বাবে বহনসাধ্য স্বাস্থ্য সেৱা সুনিশ্চিত কৰাই নহয়, বৰং অঞ্চলটোৰ জনসাধাৰণক নিজৰ ঘৰৰ ওচৰতে উন্নত স্বাস্থ্য যতন সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় চৰকাৰে বিগত আঠ বছৰত উন্নমূলক কাম-কাজৰ সুফল যাতে দেশৰ দূৰণিবটীয়া অঞ্চলৰ লোকসকলেও লাভ কৰে, তাক সুনিশ্চিত কৰাৰ বাবে কাম কৰিছে  বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooooooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কেইবাটাও দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে অহা ৮ আৰু ৯ অক্টোবৰত অসম ভ্ৰমণ কৰিব। দলৰ দুয়োগৰাকী জ্যেষ্ঠ নেতাই গুৱাহাটীত ৰাজ্যিক বিজেপিৰ নৱ-নিৰ্মিত কাৰ্যালয় উদ্বোধন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে কেইবাটাও দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। লোকসভা নিৰ্বাচনৰ পূৰ্বে অসমত  দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰা উদ্দেশ্যে নেতাদ্বয়ে এখন দলীয় কাৰ্যকৰ্তাৰ সন্মিলনতো অংশগ্ৰহণ কৰিব। এই সন্মিলনত দলৰ প্ৰায় ৩৫ হাজাৰ কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। শ্ৰীশ্বাহ আৰু শ্ৰী নাড্ডাই ৮

অক্টোবৰত দলৰ ৰাজ্যিক কাৰ্যালয়টো উদ্বোধন কৰাৰ লগতে ১০০টা মণ্ডল কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। ইপিনে, দুৰ্গোৎসৱৰ মাজতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে অসম প্ৰদেশ বিজেপিৰ কৰ কমিটী, নিৰ্বাচন সমিতি, বিত্তীয় সমিতি আৰু অনুশাসন সমিতিকে ধৰি চাৰিখন গুৰুত্বপূৰ্ণ সমিতি নতুনকৈ গঠন কৰিছে।

oooooooooo

ভাৰত চেনীৰ সৰ্ববৃহৎ উৎপাদনকাৰী আৰু দ্বিতীয় সৰ্ববৃহৎ ৰপ্তানীকাৰীৰূপে পৰিগণিত হৈছে। দেশত ২০২১-২২ বৰ্ষত অভিলেখ পৰিমাণৰ ৫ হাজাৰ লাখ মেট্ৰিকটনতকৈ অধিক কুঁহিয়াৰ উৎপাদন হৈছে। ইয়াৰে ভিতৰত ৩৫ লাখ মেট্ৰিকটন চেনী ইথানল উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয় আৰু চেনী কলসমূহে উপভেক্তাসকলৰ বাবে  ৩৫৯ লাখ মেট্ৰিকটন চেনী উৎপাদন কৰে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ২০২১-২২ বৰ্ষ ভাৰতীয় চেনী খণ্ডৰ বাবে ঐতিহাসিক বৰ্ষৰূপে পৰিগণিত হৈছে। এই সময়ছোৱাত অভিলেখ পৰিমাণৰ ১০৯ লাখ মেট্ৰিকটন চেনী ৰপ্তানী কৰা হয়। অনুকুল আন্তঃৰাষ্ট্ৰীয় মূল্য আৰু কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বাবে ভাৰতীয় চেনী উদ্যোগে এই সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ জৰিয়তে প্ৰায় ৪০ হাজাৰ কোটি টকাৰ বিদেশী মুদ্ৰা অৰ্জন কৰিব পৰা গৈছে।

oooooooooo

দেশৰ সৰ্ববৃহৎ জনসেৱা সম্প্ৰচাৰ প্ৰতিষ্ঠান আকাশবাণী স্বাধীনতাৰ পাছত বিগত ৭৫ বছৰত সমগ্ৰ দেশৰ জনসাধাৰণৰ বাবে তথ্য আৰু বাতৰিৰ শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। আকাশবাণীয়ে **আজাদ ভাৰত কী বাত, আকাশবাণী কে সাথ** শীৰ্ষক এটা শৃংখলাৰে স্বাধীনতাৰ ৭৫ সংখ্যক বাৰ্ষিকী উদযাপন কৰিছে। আকাশবাণীয়ে বচা বচা কাহিনীৰ মাধ্যমেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষৰ বিকাশ যাত্ৰাৰ চমু আভাষ দাঙি ধৰিছে। এই শৃংখলাৰ আজিৰ খণ্ডটিত **দেশত হিন্দী চলচ্চিত্ৰৰ যাত্ৰাৰ** বিষয়ে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ইউ টিউব চেনেল আৰু নিউজ অন এয়াৰ এপৰ লগতে টুইটাৰ, ফেইচবুক তথা ইনষ্টাগ্ৰামৰ মাধ্যমেৰে শুনিবলৈ পোৱা যাব।

oooooooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগৰ বাবে অংশকালীন বাতৰি সম্পাদক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক বাছনিৰ বাবে অহা ১৬ অক্টোবৰত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত পৰীক্ষা অনুষ্ঠিত হ'ব। অংশকালীন বাতৰি পৰিৱেশক তথা অনুবাদকৰ বাবে দিনৰ ১০ বজাৰ পৰা ১ বজালৈ আৰু বাতৰি সম্পাদকৰ বাবে বিয়লি ২ বজাৰ পৰা ৫ বজালৈ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক পৰীক্ষা আৰম্ভ হোৱাৰ আধা ঘণ্টা আগে পোৱাকৈ পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'বলৈ কোৱা হৈছে। পৰীক্ষাৰ্থীসকলে এই সন্দৰ্ভত বিতং তথ্যৰ বাবে newsonair.gov.in আৰু prasharbharati.gov.in ৱেবচাইট চাব পাৰে।

oooooooooo

গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গোলাঘাট জিলা দিৱস অনুষ্ঠিত হৈছে। ১৯৮৭ চনৰ কালিৰ দিনটোতে গোলাঘাটে এখন পূৰ্ণাংগ জিলাৰ মৰ্যাদা লাভ কৰিছিল। এই উপলক্ষে জিলাখনৰ গোলাঘাটৰ লগতে বোকাখাত আৰু ধনশিৰি মহকুমাত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। দিৱসৰ কাৰ্যসূচী কালি পতাকা উত্তোলনেৰে আৰম্ভ কৰা হয়। ইয়াৰ লগতে মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি,

জিলা পুথিভঁৰাল, শ্বহীদ স্মাৰক আৰু অন্যান্য ঠাইত থকা স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সন্ধিয়াৰ ভাগত উপায়ুক্তৰ কাৰ্যালয় আৰু সমূহ কাৰ্যালয়ত বন্তি প্ৰজ্বলন কৰি আলোকিত কৰা হয়। ইয়াৰ লগতে তথ্য আৰু জনসংযোগ বিভাগৰ স্থায়ী অনুভাষ যন্ত্ৰৰ যোগেদি জিলাখনৰ সম্যক ইতিহাস বৰ্ণনা কৰা হয়। আজি গ্ৰাম্য স্বাস্থ্য আৰু পৰিপুষ্টি শিবিৰ, আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন আদি কাৰ্যসূচী লোৱা হ'ব। কাইলৈ বীৰাংগণা সাধনী কলাক্ষেত্ৰত বিদ্যালয়সমূহৰ মাজত কুঁইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

0000000000

গুজৰাটত অনুষ্ঠিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত  অসমে এতিয়ালৈ ১৮টা পদক লাভ কৰি উজ্বলি উঠিছে। বুধবাৰৰ খেলৰ সমাপ্তি লৈ অসমে এতিয়ালৈকে ৬টা সোণ, ৭টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাৰ চতুৰ্দশ স্থানত আছে। সাঁতোৰত ১টা সোণ, ৩টা ৰূপ, ১টা ব্ৰঞ্জ, এথলেটিকছত ২টা সোণ, ১টা ৰূপ, চাইক্লিঙত ১টা ৰূপ, ল'ন বলত ৩টা সোণ, ১টা ৰূপ, ৪টা ব্ৰঞ্জ আৰু ৱেইটলিফটিঙত অসমে এতিয়ালৈ ১টা ৰূপৰ পদক অৰ্জন কৰিছে।

বুধবাৰৰ খেলত অসমৰ আস্থা চৌধুৰীয়ে ২০০ মিটাৰ বাটাৰ ফ্লাইত ৰূপৰ পদক অৰ্জন কৰে। সাঁতোৰবিদগৰাকীয়ে ইয়াৰ পূৰ্বে বাটাৰ ফ্লাই হিটছত ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিছিল। সাঁতোৰবিদ গৰাকীয়ে ১০০ মিটাৰ বাটাৰ ফ্লাইতো ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণৰ পদক লাভ কৰিছিল। ইপিনে বিক্ৰম ছাংমাইয়েও পুৰুষৰ একে শাখাত কালি ৰূপৰ পদক লাভ কৰে। পুৰুষৰ ১০০ মিটাৰ বাটাৰ ফ্লাইতো তেওঁ ৰূপৰ পদক লাভ কৰিছিল। আনহাতে, কালিৰ দিনটোত ল'ন বলত অসমে দুটা পদক অৰ্জন কৰিবলৈ সক্ষম হয়। অসমৰ নয়নমণি শইকীয়া আৰু তানিয়া চৌধুৰীয়ে ডাবলছত স্বৰ্ণ পদক লাভ কৰাৰ বিপৰীতে পুৰুষৰ ছিংগলছত মৃদুল বৰগোহাঁইয়ে ব্ৰঞ্জৰ পদক লাভ কৰে।

আনহাতে নাকত আঘাতৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়াত ভাগ লোৱাৰ ক্ষেত্ৰত অনিশ্চিয়তাত থকা অসমৰ তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইক চিকিৎসকে খেলত ভাগ লোৱাৰ বাবে সেউজ সংকেত দিয়াৰ পাছত খেলুৱৈ গৰাকীয়ে জয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। লাভলীনাই মহিলা বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত বিহাৰৰ প্ৰতিদ্বন্দ্বী নিশী ভৰদ্বাজক নকআউট কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। ইপিনে, কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰা হিমা দাসে ২০০ মিটাৰ দৌৰত ৰূপৰ পদক অৰ্জন কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে।

সামগ্ৰিকভাৱে এই মুহূৰ্তলৈ ছাৰ্ভিছেজে ৪০টা সোণ, ২৫টা ৰূপ আৰু ২৪টা ব্ৰঞ্জসহ মুঠ ৮৯টা পদকেৰে পদক তালিকাত শীৰ্ষস্থান অক্ষুণ্ন ৰখাৰ বিপৰীতে হাৰিয়ানাই ২৫ সোণ, ২২টা ৰূপ আৰু ১৯টা ব্ৰঞ্জসহ মুঠ ৬৬টা পদক লাভ কৰি দ্বিতীয় আৰু মহাৰাষ্ট্ৰই ২৪টা সোণ, ২২টা ৰূপ আৰু ৪২টা ব্ৰঞ্জসহ মুঠ ৮৮টা পদকেৰে তালিকাৰ তৃতীয় স্থানত আছে।

0000000000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লক্ষ্নৌত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। শৃংখলাৰ বাকী দুখন খেলৰ এখন ৯ অক্টোবৰত ৰাঁচীত আৰু আনখন ১১ অক্টোবৰত দিল্লীত খেলোৱা হ'ব।

0000000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহত বিভিন্ন বাতৰিয়ে শিৰোনাম দখল কৰিছে। সপ্তাহজোৰা উখল-মাখলৰ অন্তত, যথাবিহিত ৰীতি নীতিৰে দেৱী দুৰ্গাক বিদায় দিয়াৰ বাতৰিটো কাকতসমূহে বিভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে। আমাৰ অসমে **দেৱী বিসৰ্জন, ৰাৱণ দাহেৰে পূজা শেষ,** দৈনিক অসমে **যথাবিহিত ৰীতিৰে দশমীত বিদায় দেৱীক**, অসমীয়া খবৰে **বিজয়া দশমীত দেৱী প্ৰতিমা বিসৰ্জনেৰে দুৰ্গা পূজাৰ সামৰণি,** নিয়মীয়া বাৰ্তাই **দেৱী বিসৰ্জনেৰে অন্ত দুৰ্গোৎসৱৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে আছাম ট্ৰিবিউনে Durga Puja celenrated with fervour, gaiety in state শিৰোনামেৰে প্ৰকাশ কৰিছে। ইপিনে, ৰাজ্যজুৰি শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ উদযাপন কৰা বাতৰিটো দৈনিক অসমে নাম প্ৰসংগ, ভাওনা-শোভাযাত্ৰাৰে উখল-মাখল শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰাৰ লগতে আমাৰ অসম, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তাকে ধৰি আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া প্ৰতিদিনে - ৰসায়ন চিকিৎসা পদাৰ্থ বিজ্ঞানৰ ৭ বিজ্ঞানীলৈ ন'বেল বঁটা আৰু শান্তিৰ ন'বেলৰ বাবে মনোনীত তালিকাত দুই ভাৰতীয় শীৰ্ষক বাতৰি দুটাক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। জালিয়াতিৰে জে ই ই উত্তীৰ্ণ ৮২০ পৰীক্ষাৰ্থী শীৰ্ষক আন এটা বাতৰি অসমীয়া প্ৰতিদিনে প্ৰকাশ কৰিছে। নেহৰু ষ্টেডিয়ামত অসম বিজয়া দশমী মহোৎসৱত অপ শক্তিৰ বিৰুদ্ধে যুঁজিবলৈ সকলোকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনোৱা বাতৰিটো আটাইকেইখন কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আনহাতে, উত্তৰাখণ্ডত সংঘটিত হিমস্খলনত অসমৰ পৰ্বতাৰোহী দীপশিখা হাজৰিকা সন্ধানহীন হৈ থকা বাতৰিটোৰ লগতে মাজুলীৰ প্ৰতিভাবান শিশু শিল্পী তেজস্বিতাৰ আকস্মিক মৃত্যুৰ বাতৰিটোও কাকতকেইখনে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে- নতুন অভিলেখ গঢ়ি ২০০ মিটাৰতো অম্লানৰ সোণ, অৰুণাচলত সেনাৰ হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত, লেফটেনেণ্ট কৰ্ণেল নিহত, পঞ্চভূতত বিলীন বড়ো সংগ্ৰামী নেতা- প্ৰাক্তন বিধায়ক কৰেন্দ্ৰ বসুমতাৰী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০০

ডিব্ৰুগড় নগৰৰ উত্তৰ আমোলাপট্টিৰ ৰাধানাথ চাংকাকতি পথৰ নিবাসী ধৰ্মপ্ৰাণ মহিলা প্ৰমিলা চাংকাকতিৰ আজি পুৱা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯২ বছৰ।

০০০০০০০০০০

**সমাপ্ত**